
Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



নৱম শ্ৰেণীৰ পাঠ্যপুথি

ভূগোল

পাঠ - ৩

ভাৰতবৰ্ষৰ ভূগোল

অংশ – ৩

শ্ৰাৱণী দেৱী

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জলবায়ু

- ভাৰত এখন বিশাল দেশ।
- ইয়াৰ ভূ-প্ৰকৃতিও বৈচিত্ৰময়।
- অঞ্চলভিত্তিক জলবায়ুৰ প্ৰধান উপাদানসমূহৰ তাৰতম্য আছে যেনে —
  - তাপমান
  - বায়ু
  - বায়ুমণ্ডলীয় চাপ
  - আৰ্দ্ৰতা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতৰ জলবায়ুৰ ভিন্নতা আৰু ই মূলতঃ এনে কাৰকৰ ওপৰত নিৰ্ভৰ কৰে যেনে—
  - দেশৰ বিশালতা
  - বিষুৱৰেখাৰ পৰা দূৰত্ব (অক্ষাংশ)
  - বিভিন্ন ধৰণৰ ভূ-প্ৰকৃতি
  - উচ্চতাৰ পাৰ্থক্য
  - সাগৰৰ পৰা দূৰত্ব
  - মৌচুমী বতাহৰ প্ৰভাৱ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ভাৰতৰ অক্ষাংশৰ সম্প্রসাৰণ ৮°৪'২৮" উত্তৰৰ পৰা ৩৭°১৭'৫৩" উত্তৰলৈকে।
- বিভিন্ন অক্ষাংশত উষ্ণতাৰ তাৰতম্যৰ বাবে জলবায়ুৰ তাৰতম্য ঘটে।
- দেশৰ মাজভাগেৰে পাৰ হৈ যোৱা কর্কট ক্রান্তিয়ে ইয়াক উত্তৰ আৰু দক্ষিণ অংশত বিভক্ত কৰিছে—
  - উত্তৰ অংশটো নাতিশীতোষ্ণ জলবায়ু অঞ্চলত পৰে।
  - দক্ষিণ অংশ গ্রীষ্মমণ্ডলীয় জলবায়ু অঞ্চলত পৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- গতিকে, ভাৰতৰ দক্ষিণ অংশ উত্তৰ অংশতকৈ তুলনামূলকভাৱে উষ্ণ।
- ভাৰতীয় ভূখণ্ডৰ বৈশিষ্ট্য হৈছে বিভিন্ন ধৰণৰ ভূ-প্ৰাকৃতিক বৈশিষ্ট্য যেনে পাহাৰ আৰু পৰ্বত, মালভূমি, মৰুভূমি আৰু সমভূমি।
- এই ভূ-প্ৰাকৃতিবোৰৰ উচ্চতা বেলেগ বেলেগ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- গতিকে একে অক্ষাংশৰ ঠাইবোৰতে উষ্ণতা, চাপ, বৰষুণ, আৰ্দ্রতা আদিৰ তাৰতম্য থাকিব পাৰে।

উদাহৰণ —

- আগ্রা আৰু দার্জিলিঙৰ উচ্চতাৰ তাৰতম্যৰ বাবে ভিন্ন ধৰণৰ জলবায়ু হয় যদিও ইহঁত একে অক্ষাংশত অৱস্থিত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- উত্তৰ দিশৰ পৰা বৈ অহা শীতল বতাহৰ পৰা উচ্চ হিমালয়ে ভাৰতক ৰক্ষা কৰে।
- গতিকে, উত্তৰ ভাৰতত ইমান ঠাণ্ডাৰ সন্মুখীন হোৱা নাই।
- যদিও দাক্ষিণাত্য মালভূমি গ্ৰীষ্মমণ্ডলীয় জলবায়ু অঞ্চলত পৰে, মালভূমিৰ বৈশিষ্ট্যৰ বাবে ইয়াৰ জলবায়ু ইমান গৰম নহয়।
- সাগৰৰ ওচৰত থকাৰ বাবেও কোনো ঠাইৰ জলবায়ু সমভাৱাপন্ন হ'ব পাৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- সাগৰৰ ওচৰত অৱস্থিত ঠাইত গ্ৰীষ্ম আৰু শীতকালৰ উষ্ণতাৰ তাৰতম্য ইমান বেছি নহয়।
- সাগৰৰ ওচৰত অৱস্থিত হোৱাৰ বাবে মুম্বাইৰ জলবায়ু সুখদায়ক।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(ক) মৌচুমী বতাহ

- ভাৰতীয় জলবায়ুৰ ওপৰত মৌচুমীৰ প্ৰভাৰ যথেষ্ট।
- বছৰৰ বিভিন্ন ঋতুত বিশেষকৈ গ্ৰীষ্ম আৰু শীতকালত বাৰিষা বয়।
  - গ্ৰীষ্মকালত দক্ষিণ-পশ্চিম মৌচুমী বায়ু বয়।
  - শীতকালত উত্তৰ-পূবৰ মৌচুমী বায়ু বয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দক্ষিণ-পশ্চিম মৌচুমী বতাহ—

- আৰব সাগৰৰ ওপৰেৰে পাৰ হৈ ভাৰতত প্ৰৱেশ কৰে।
- এই বতাহ দক্ষিণ-পশ্চিম ফালৰ পৰা অহাৰ বাবে ইয়াক দক্ষিণ-পশ্চিম মৌচুমী বুলি কোৱা হয়।
- এই বতাহে আৰব সাগৰৰ পৰা বিপুল পৰিমাণৰ আৰ্দ্ৰতা কঢ়িয়াই পশ্চিম ঘাটত খুন্দা মাৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- তাৰ পিছত ওপৰলৈ উঠি যায় আৰু ঠাণ্ডা হোৱাৰ লগে লগে বৰষুণ হয়।
- এইদৰে পশ্চিম উপকূল যেনে কংকন আৰু মালাৱাৰ উপকূলত বছৰি ৩০০ চে.মি.তকৈ অধিক বৰষুণ হয়।
- পশ্চিম ঘাট পাৰ হোৱাৰ পিছত এই বতাহ বঙ্গোপসাগৰৰ ওপৰেৰে বৈ যায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বঙ্গোপসাগৰৰ ওপৰেৰে বৈ যোৱাৰ সময়ত বতাহে পুনৰ বিপুল পৰিমাণৰ আৰ্দ্রতা লৈ তাৰ পিছত অসম আৰু উত্তৰ-পূব দিশলৈ আগবাঢ়ি যায়।
- মেঘালয় মালভূমিত খুন্দা মাৰে।
- ফলত মালভূমিৰ দক্ষিণ ঢালত অধিক বৰষুণ হয়।
- মেঘালয়ৰ চেৰাপুঞ্জী অঞ্চলত বছৰি প্রায় ১২৫০ চে.মি. বৰষুণ হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ইয়াৰ পাছত এই বতাহ মেঘালয় মালভূমি পাৰ হৈ অসমত প্ৰৱেশ কৰে।
- এইদৰেই গ্ৰীষ্মকালত দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ বাবে অসম তথা হিমালয়ৰ পাদদেশতো প্ৰচণ্ড বৰষুণ হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

উত্তৰ-পূব মৌচুমী বতাহ —

- শীতকালত বলে।
- এই ঠাণ্ডা বতাহ মধ্য এছিয়াৰ পৰা উত্তৰ-পূব দিশেৰে ভাৰতত প্ৰৱেশ কৰে।
- এই কাৰণেই, ইয়াক উত্তৰ-পূব মৌচুমী বতাহ বুলি কোৱা হয়।
- উত্তৰ হিমালয়ৰ পৰ্বতবোৰে এই শীতল বতাহ ভাৰতত সোমোৱাত বাধা দিয়ে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- গতিকে, এই বতাহৰ বাবে উত্তৰ ভাৰত অতিপাত শীত নপৰে।
- অৱশ্যে এই বতাহৰ এটা অংশ হিমালয়ৰ ওপৰেৰে পাৰ হৈ আহি ভাৰতত সোমায়।
- যিহেতু ই মধ্য এছিয়াৰ স্থলভাগৰ পৰা আহে, সেয়েহে ই শুকান আৰু আৰ্দ্রতাহীন।
- কিন্তু, যেতিয়া এই বতাহ বংগ উপসাগৰৰ ওপৰেৰে বৈ যায়, তেতিয়া ই কিছু পৰিমাণৰ আৰ্দ্রতা কঢ়িয়াই শোষণ কৰি লয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই আৰ্দ্রতা কঢ়িয়াই নিয়া বতাহে যেতিয়া পূৰ্ব ঘাট পৰ্বতত খুন্দা মাৰে তেতিয়া পূব উপকূলত বৰষুণ হয়।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(খ) বৰষুণ

- ভাৰতীয় কৃষিৰ ওপৰত বাৰিষাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰে।
- বাৰিষাৰ ফলত হোৱা বৰষুণৰ বাবে শস্যৰ উৎপাদন বৃদ্ধি হয়।
- এই ক্ষেত্ৰত উত্তৰ-পূব মৌচুমীৰ তুলনাত দক্ষিণ-পশ্চিম মৌচুমীৰ প্ৰভাৱ অধিক গুৰুত্বপূৰ্ণ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- কাৰণ, দক্ষিণ-পশ্চিম মৌচুমীৰ ফলত অধিক বৰষুণ হয়।
- দেশৰ সকলো ঠাইতে বৰষুণ সমানে নহয়।
- উত্তৰ-পূব অঞ্চলৰ হিমালয়ৰ পাদদেশ, মেঘালয় মালভূমিৰ দক্ষিণ অংশ আৰু পশ্চিম ঘাটৰ পশ্চিম ঢালত অধিক বৰষুণ (বছৰীয়া গড় হিচাপত ৩০০ চে.মি.তকৈ অধিক) হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- অৰুণাচল প্ৰদেশৰ বহিঃহিমালয়ত সৰ্বাধিক পৰিমাণৰ বৰষুণ হয়।
- এই অঞ্চলত বাৰ্ষিক গড় বৰষুণ ৪০০ চে.মি.তকৈ অধিক হয়।
- আনহাতে ৰাজস্থানৰ থৰ মৰুভূমি আৰু ইয়াৰ কাষৰীয়া অঞ্চলত বছৰি গড়ে ৫০ চে.মি.তকৈ কম বৰষুণ হয়।
- থৰ মৰুভূমিত কিছুমান অঞ্চলত ২০ চে.মি.তকৈও কম বৰষুণ হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- দাক্ষিণাত্য মালভূমিৰ উত্তৰ আৰু পশ্চিম অংশ আৰু গুজৰাট অঞ্চলতো কম পৰিমাণৰ বৰষুণ হয়।
- এই অঞ্চলসমূহত বৰষুণ ৫০ চে.মি.ৰ পৰা ১০০ চে.মি.ৰ ভিতৰত হয়।
- কিন্তু, ব্ৰহ্মপুত্ৰ সমভূমিকে ধৰি ভাৰতৰ উত্তৰ সমভূমি অঞ্চলত বাৰ্ষিক গড় ভিত্তিত ১০০ চে.মি.ৰ পৰা ২০০ চে.মি.ৰ ভিতৰত মধ্যমীয়া পৰিসৰৰ বৰষুণ হোৱা দেখা যায়।

Under CSR Support by
ipca | Foundation


শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(গ) ঋতু

- বতৰৰ উপাদান যেনে উষ্ণতা, বৰষুণ, চাপ, বতাহ আৰু আৰ্দ্রতা গোটেই বছৰজুৰি একেই নাথাকে।
- বতৰৰ উপাদানৰ এনে তাৰতম্যৰ বাবে আমি বছৰত বিভিন্ন ঋতু বিচাৰি পাওঁ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো




- ভাৰতত বছৰত ৪টা ঋতু পালন কৰা হয়—

(ক) প্ৰাক বৰ্ষাকাল
(খ) বৰ্ষাকাল
(গ) প্ৰাক শীতকাল
(ঘ) শীতকাল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বাৰিষা আৰু বাৰিষাৰ পূৰ্বৰ কিছু অংশ সামৰি লোৱা সময়ছোৱাক গ্ৰীষ্মকালীন ঋতু বুলিও ক'ব পাৰি।
- সকলো ঋতুতে উষ্ণতা আৰু বৰষুণৰ যথেষ্ট তাৰতম্য দেখা যায়।
- বাৰিষাৰ পূৰ্বৰ বতৰত উষ্ণতা আৰু বৰষুণ দুয়োটা বৃদ্ধি পাবলৈ আৰম্ভ কৰে।
- উষ্ণতা বৃদ্ধি হ'লে বায়ুৰ চাপ কমি যায় আৰু বায়ুমণ্ডলত নিম্ন চাপৰ সৃষ্টি হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ফলত প্রচণ্ড বতাহ আৰু ধুমুহাৰ সৃষ্টি হয়।
- বাৰিষাৰ পূৰ্বৰ সময়ত অসমত হোৱা স্থানীয় ধুমুহাক বৰদৈচিলা বুলি কোৱা হয়।
- প্রাক বাৰিষাৰ পিছত বাৰিষা আৰম্ভ হয় আৰু স্বাভাৱিকতে উষ্ণতা আৰু মৌচুমীৰ বৰষুণ বৃদ্ধি পাবলৈ আৰম্ভ কৰে।
- অৰণ্যে বৰষুণৰ বাবে এই বতৰত তাপমাত্রা কিছু কম হৈ পৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- বাৰিষা শেষ হোৱাৰ লগে লগে শীতকালৰ পূৰ্বৰ বতৰ আৰম্ভ হয় আৰু বৰষুণো কমিবলৈ আৰম্ভ কৰে।
- শীতকালত বৰষুণ আৰু কমি যায় আৰু তীব্ৰ ঠাণ্ডা অনুভৱ হয়।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি—

- বাৰিষাৰ পূৰ্বৰ ঋতু মাৰ্চ মাহৰ মাজভাগৰ পৰা মে' মাহলৈকে চলি থাকে

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- জুন মাহৰ পৰা ছেপ্টেম্বৰ মাহলৈ বাৰিষা
- অক্টোবৰৰ পৰা ডিচেম্বৰৰ মাজভাগলৈকে শীতকালৰ পূৰ্বৰ বতৰ
- ডিচেম্বৰৰ মাজভাগৰ পৰা মাৰ্চৰ মাজভাগলৈকে শীতকাল।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। মেঘালয়ৰ চেৰাপুঞ্জীত বছৰি কিমান চেণ্টিমিটাৰ বৰষুণ হয় ?

(ক) ১০০ চেণ্টিমিটাৰ

(খ) ৪০০ চেণ্টিমিটাৰ

(গ) ১২৫০ চেণ্টিমিটাৰ

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





২। আগ্রা আৰু দার্জিলিং একে অক্ষাংশত অৱস্থিত হলেও দুয়োখন ঠাইৰ জলবায়ু ..... ।